# যীচুৱে ৭০ গৰাকী শুভবাৰ্ত্তা প্ৰচাৰক পঠাইছিল

অন্য ঠাইলৈ গৈ শিষ্য কৰাৰ গুৰুত্ব ল'ৰা-ছোৱালীক শিকাওঁক।



**প্ৰাৰ্থনাঃ** যীচুৱে যে পাপ ক্ষমা দিব পাৰে আৰু তেওঁবিলাকৰ জীৱনলৈ আনন্দ আনিব পাৰে সেই শুভবাৰ্ত্তা বিভিন্ন ঠাইলৈ নিবলৈ আপুনি আমাক সহায় কৰক প্ৰভু।

তেওঁলোকৰ প্ৰয়োজন আৰু বয়সত খাপ খুউৱাকৈ ল'ৰা-ছোৱালীৰ কাম-কাজবোৰ বাচি লওঁক।

**লূক ১০:১-২০** পদত পঢ়ক, ঈশ্বৰৰ ৰাজ্যৰ ঘোষণা কৰিবলৈ কেনেকৈ যীচুৱে তেওঁৰ ৭০ গৰাকী শিষ্যক পঠাইছিল এই কথাই ইয়াকে বুজায় যে, পৃথিৱীৰ আটাই জাতিয়ে যেন শুভবাৰ্ত্তা পাব পাৰে, তাৰ বাবে যীচুৱে কেনেকৈ সৰু সৰু দলত তেওঁৰ শিষ্যবিলাকক প্ৰশিক্ষণ দিছিল।

**লূক ১০:১-২০ ৰ পৰা শিক্ষক অথবা কোনো এজন ডাঙৰ ল'ৰা-ছোৱালীয়ে গল্পটি কওঁক।**

তলত দিয়া **প্ৰশ্নবোৰ** সোধক *(প্ৰত্যেক প্ৰশ্নৰ পিছত পদ আৰু উত্তৰ দিয়া আছে)*

- প্ৰতিটো দলত কেইগৰাকী কৰ্মচাৰী আছিল? *(১ পদ। দুজন দুজনকৈ পঠাইছিল)*
- তেওঁলোকে প্ৰথমে কিহৰ বাবে প্ৰাৰ্থনা কৰিলে? *(২)*
- তেওঁলোকে নম্ৰভাৱে, অথবা কাজিয়া কৰাৰ ভাবত গৈছিল? *(৩)*
- তেওঁলোকে লগত কিমান সঁজুলি নিছিল? *(৪ পদ জাগতিক বস্তুতকৈ ঈশ্বৰৰ ওপৰত নিৰ্ভৰ কৰি যিমান পাৰে কমকৈ নিবলৈ যীচুৱে তেওঁলোকক কৈছিল)।*
- বাটত যাওঁতে তেওঁলোকে ৰৈ বন্ধুসকলক লগ ধৰিছিলনে? *(৪)*
- শান্তিৰে আদৰি লোৱা ব্যক্তিজনৰ ঘৰত তেওঁলোকে থাকিছিল নে? *(৫-৮)*
- লোকবিলাকৰ ঘৰলৈ যাওঁতে কি দুটা কাম তেওঁলোকে কৰিছিল? *(৯)*
- শুভবাৰ্ত্তা অগ্ৰাহ্য কৰা লোকলৈ কি কৰিবলৈ যীচুৱে কৈছিল? *(১০-১১)*
- শিষ্যবিলাকে খ্ৰীষ্টৰ বাধ্য হওঁতে চয়তানৰ শক্তিৰ কি হৈছিল? *(১৮)*
- চয়তানক বন্ধাতকৈ কি অধিক গুৰুত্বপূৰ্ণ বুলি যীচুৱে কৈছিল? *(২০)*

৭০ গৰাকী শুভবাৰ্তা প্ৰচাৰক গল্পটিৰ কিছু অংশ **নাটক** কৰি দেখুওৱাউক। মণ্ডলীৰ প্ৰধান উপাসনাত এই নাটক পৰিৱেশন কৰিবলৈ চলাওঁতাৰ লগত যোগাযোগ কৰক। ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক নাটক প্ৰস্তুত কৰাত সহায় কৰক।

- **ডাঙৰ ল'ৰা-ছোৱালী** অথবা বয়সীয়া লোকক যীচু শত্ৰু আৰু বৰ্ণনাকাৰীৰ ভাও দিয়ক। কোনো এজন বয়সীয়া লোকে শত্ৰুৰ ভাও লোৱা উত্তম হব।
- **সৰু ল'ৰা-ছোৱালীক** শুভবাৰ্তা প্ৰচাৰক আৰু লোকবিলাকৰ ভাও দিয়ক।

**বৰ্ণনকাৰীঃ** লূক ১০:১-১৬ পৰা গল্পটিৰ প্ৰথম অংশ কওঁক। এতিয়া কওঁক ঈশ্বৰে বনুৱাবিলাকক পঠিয়াবলৈ কোৱা পিছত যীচুৱে শিষ্যবিলাকক কি কৈছিল কওঁক।

**যীচুঃ** দুজন দুজনকৈ যোৱা। ৰাং কুকুৰৰ মাজত মেৰ পোৱালি স্বৰূপ, তোমালোক সাৱধান হোৱা। শুভবাৰ্তা প্ৰচাৰ কৰা। ৰোগীক সুস্থ কৰা। মই সোনকালে আহি আছোঁ বুলি প্ৰত্যেক ৰাজ্যত কোৱা। ঈশ্বৰৰ ৰাজ্য ওচৰ।

**শিষ্যবিলাকঃ** আমি আমাৰ লগত কি লৈ যাম?

**যীচুঃ** কুশলৰ মানুহ এজন বিচাৰা। খৰ কৰা। বাটত জিৰণি নলবা, বাৰ্ত্তা অতি দৰ্কাৰী।

**শিষ্যবিলাকঃ** আমি ক'ত থাকিম?

**যীচুঃ** কুশলৰ পাত্ৰ এজন বিচাৰা। সেই নগৰত থাকোঁতে তেওঁৰ তাতে থাকিবা। তেওঁৰ আহাৰ ভোজন কৰিবা।

**শিষ্যবিলাকঃ** লোকবিলাকে আমাক অগ্ৰাহ্য কৰিলে আমি কি হ'লে আন ঠাইলৈ যাবা।

**যীচু ঃ** "যদিহে তোমালোকে বাৰ্ত্তা বুজাই দিছা আৰু তথাপি তেওঁলোকে তোমাক অগ্ৰাহ্য কৰে, তেন্তে অন্য ঠাইলৈ যাবা।"

**শিষ্যবিলাকঃ** "দুজনকৈ গৈ এইদৰে কওঁক, শুভবাৰ্তা শুনক। ইয়াৰ দ্বাৰা আমাৰ জীৱন পৰিবৰ্তন হয়।"

"যীচুৰ নামত আৰোগ্য হওঁক।"

"আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ নামত ঈশ্বৰৰ ক্ষমাদান পাওঁক"

**শত্ৰু ঃ** মোৰ নাম শত্ৰু! মই সকলো লোকক ঘিন কৰোঁ।

শিষ্যবিলাকক অনুসৰণ কৰি নিজৰ কথাৰে কওঁক ঃ

দুজনকৈ নাযাবা। সৰহীয়া দলত থাকিবা, সেয়ে নিৰাপদ।

লগত যথেষ্ট সা-সজুলি নিবা। ই মানুহক ভাল লগাব।

লগত যথেষ্ট খাদ্য বস্তু ল'বা।

বাটত বন্ধু-বান্ধৱক লগ ধৰি যাবা।

কেৱল এঘৰতে নাথাকিবা। ভাল খাদ্য পোৱা ঠাই বিচাৰি লবা।

তোমালোকৰ বাক্য অগ্ৰাহ্য কৰিলে, নিৰাশ নহবা। সিবিলাকক জোৰ দিবা।

সকলোলোকে এবাৰকৈ ঈশ্বৰৰ বাক্য শুনাব আগেয়ে কোনো জনে দুবাৰকৈ শুভবাৰ্তা শুনা ভাল নহয়। সেয়ে প্ৰতি চহৰত ঘৰবোৰত একোখনকৈ কেৱল ট্ৰেক কাগজ এৰি থৈ আহিবা।

**শিষ্যবিলাকঃ** শত্ৰুৱে এইবোৰ কথা কওঁতে ইয়াৰ বিপৰীতে কোৱা যীচুৰ নিৰ্দেশনাবোৰ উল্লেখ কৰিবা।

**বৰ্ণনাকাৰীঃ** লূক ১০:১৭-২৩ পৰা গল্পটিৰ দ্বিতীয় খণ্ড কওঁক।

**শিষ্যবিলাকঃ** প্ৰভু যীচু, আমি আনন্দিত। আপোনাৰ নাম শক্তিমন্ত লোকবিলাকক সুস্থ কৰিবলৈ আমি আপোনাৰ ক্ষমতা ব্যৱহাৰ কৰিছোঁ। আপোনাৰ শক্তি আমাক প্ৰদান কৰাৰ বাবে ধন্যবাদ। আমি আনকি ভূতবোৰকো বশীভূত কৰিছোঁ।

**যীচুঃ** শক্তিমন্ত হোৱা বাবে নহয়, কিন্তু তোমালোকৰ নাম যে স্বৰ্গত লিখা আছে, তাৰ নিমিত্তে আনন্দ কৰা।

**প্ৰাৰ্থনাঃ** প্ৰিয় প্ৰভু, ল'ৰা-ছোৱালীৰ দৰে দুৰ্বল লোকবিলাকৰ যোগেদি কাৰ্য্য কৰা নিমিত্তে, মই আপোনাৰ প্ৰশংসা কৰোঁ। আপুনি কোৱাৰ দৰে মই মোৰ শক্তি আৰু সত্যত তেওঁবিলাকক দিছোঁ।

**বৰ্ণনাকাৰীঃ** সহায় কৰা আটাইকে ধন্যবাদ জ্ঞাপন কৰক।

**প্ৰশ্নবোৰঃ** বয়সীয়া সকলৰ বাবে ল'ৰা-ছোৱালীয়ে নাটকখন পৰিৱেশন কৰিলে প্ৰথম পৃষ্ঠাত থকা প্ৰশ্নবোৰো সুধিবলৈ কওঁক।

বাটত খোজকাঢ়ি থকা দুজন লোকৰ এখন সাধাৰণ ছবি **ল'ৰা-ছোৱালীক** আঁকিবলৈ দিয়ক। পিছৰ উপাসনা সময়ত এই ছবি বয়সীয়া সকলক দেখুৱাই ল'ৰা-ছোৱালীক ব্যাখা কৰি কবলৈ দিয়ক যে আমি কেনেকৈ যীচুৰ শুভবাৰ্তা অন্য ঠাইৰ লোকবিলাকলৈ নিব পাৰোঁ।

**আলোচনা কৰক**, যীচুৰ বাধ্য হ'বলৈ আমি কেনেকৈ লোকবিলাকক শিকাব পাৰোঁ। ল'ৰা-ছোৱালীক উদাহৰণ দিবলৈ কওঁক।

**পদ্য ঃ** যিচয়া ৫২:৭-৮ পদ দুটি দুজন ল'ৰা-ছোৱালীক আবৃতি কৰিবলৈ দিয়ক।

অথবা যিচয়া ৫২:৭-১০ পদ কেইটা চাৰি গৰাকী ল'ৰা-ছোৱালীক আবৃতি কৰিবলৈ দিয়ক।

লূক ১০:২ অথবা লূক ১০ অধ্যায়ৰ আন কিছুমান পদৰ পৰা যীচুৰ বাক্য ব্যৱহাৰ কৰি ডাঙৰ ল'ৰা-ছোৱালীক এটি কবিতা অথবা গীত লিখিবলৈ দিয়ক।

**মাৰ্ক ১:১৫ মুখস্থ কৰক।**

**প্ৰাৰ্থনা ঃ** হে পিতৃ, যীচুৰ বিষয়ে শুভবাৰ্তা আন লোকলৈ নিবলৈ আমাক সহায় কৰক। জগতৰ বস্তুবোৰৰ দ্বাৰা ফালৰি কাটি যোৱাত আমাক ৰক্ষা কৰক। যীচুৰ শিষ্যসকলৰ উদাহৰণ মানিবলৈ আমাক সহায় কৰক। তেওঁলোকৰ দৰে আমাকো আপোনাৰ গৌৰৱ আনিবলৈ দিয়ক।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net